# আবেদনপত্ৰ প্ৰাপ্তি, পূৰণ কৰা আৰু জমা দিয়াৰ প্ৰক্ৰিয়া সম্পৰ্কীয় প্ৰচাৰপত্ৰিকা

NRC
NATIONAL REGISTER OF CITIZENS

## আবেদনপত্ৰ প্ৰাপ্তি

১। আবেদনপত্ৰসমূহ ৰাইজৰ ঘৰে ঘৰে বিনামূলীয়াকৈ বিতৰণ কৰা হ'ব।

২। ঘৰে ঘৰে বিতৰণ কৰা আবেদনপত্ৰ কিবা কাৰণত নাপালে, হেৰালে বা নষ্ট হ'লে, মনোনীত এন আৰ চি সেৱা কেন্দ্ৰ (এন এছ কে)ৰ পৰা নতুন আবেদনপত্ৰ সংগ্ৰহ কৰিব পাৰিব। আবেদনপত্ৰ অসমীয়া, বঙালী বা ইংৰাজী ভাষাত পূৰণ কৰিব পাৰিব।

৩। আবেদনপত্ৰ এন আৰ চি, অসমৰ ৱেবচাইট (www.nrcassam.nic.in) ৰ পৰা ডাউনল'ড কৰিব পাৰিব।

৪। খালী আবেদনপত্ৰৰ A4 জোখৰ ফটোকপিও ব্যৱহাৰ কৰিব পাৰিব।

৫। এখন আবেদনপত্ৰত পৰিয়ালৰ 6 (ছয়) জন সদস্যৰ বিৱৰণ সন্নিবিষ্ট কৰিব পৰা যাব। 6 (ছয়) জনতকৈ অধিক সদস্য থকা পৰিয়ালৰ বাবে অতিৰিক্ত আবেদনপত্ৰ আৱশ্যক হ'ব।

## আবেদনপত্ৰ পূৰণ

### সাধাৰণ নিৰ্দেশনাৱলী -

১। পৰিয়ালৰ মূৰব্বীজনে পৰিয়ালৰ সকলো সদস্যৰ হৈ আবেদনপত্ৰ দাখিল কৰিব লাগিব।

২। আবেদনপত্ৰ কিদৰে পূৰণ কৰিব তাৰ নিৰ্দেশনাৱলী আবেদনপত্ৰতেই মুদ্ৰিত কৰা আছে।

৩। পৰিয়ালৰ মূৰব্বীজনে বৰ্তমান সময়ত অসমত নথকা বা দেশৰ আন যিকোনো ৰাজ্যত বা দেশৰ বাহিৰত বসবাস কৰি থকা পৰিয়ালৰ আন সকলো সদস্যৰ নামো আবেদনপত্ৰত অন্তৰ্ভূক্ত কৰাটো নিশ্চিত কৰিব।

৪। সাধাৰণতে পৰিয়ালৰ মূৰব্বীজনে পৰিয়ালৰ সকলো সদস্যৰ বিস্তৃত বিৱৰণ সন্নিবিষ্ট কৰি এন আৰ চিত নাম অন্তৰ্ভূক্তিৰ বাবে আবেদনপত্ৰ দাখিল কৰিব।

৫। প্ৰতিষ্ঠানিক গৃহসমূহ যেনে, অনাথ আশ্ৰম, বৃদ্ধাশ্ৰম, মানসিক ৰোগীৰ চিকিৎসালয় আদিৰ বাসিন্দাসকলৰ ক্ষেত্ৰত আৱশ্যকীয় তথ্য-পাতিসহ আবেদনপত্ৰ দাখিল কৰাৰ দায়িত্ব এনেবোৰ প্ৰতিষ্ঠানৰ মূৰব্বীৰ।

৬। শাৰীৰিকভাৱে অক্ষম লোকৰ ক্ষেত্ৰত তথ্য-পাতিসহ আবেদনপত্ৰ দাখিল কৰাৰ দায়িত্ব পৰিয়ালৰ মূৰব্বী/আইনী অভিভাৱকৰ।

৭। যদি পৰিয়ালৰ মূৰব্বীজনে চাকৰীসূত্ৰে বা অন্য কাৰণত অন্য কোনো স্থানত বসবাস কৰি থকা বাবে আবেদন কৰিব নোৱাৰে, তেনেক্ষেত্ৰত, পৰিয়ালৰ যিকোনো এজন দায়িত্বশীল প্ৰাপ্তবয়স্ক সদস্যই আবেদনপত্ৰ দাখিল কৰিব।

৮। উন্নীত কৰিবলৈ লোৱা এন আৰ চিত নাম অন্তৰ্ভূক্তিৰ বাবে 'ডি' ভোটাৰ সকলেও আবেদন জনাব পাৰিব যদিও, উপযুক্ত বিদেশী ন্যায়াধীকৰণৰ দ্বাৰা এনে 'ডি' ভোটাৰ বিদেশী নহয় বুলি ঘোষিত হোৱাৰ পিছতহে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভূহ'ব।

৯। আবেদনপত্ৰ এন আৰ চি, অসমৰ ৱেবচাইট (www.nrcassam.nic.in)ৰ যোগেদি অনলাইন দাখিল কৰিব পাৰিব।

### আবেদনপত্ৰ পূৰণ কৰাৰ প্ৰাথমিক আৱশ্যকতা -

**১। এন আৰ চিত নাম অন্তৰ্ভূক্তিৰ বাবে যোগ্যতাৰ প্ৰমাণসূচক নথি-পত্ৰ সংগ্ৰহ**

এন আৰ চি আবেদনপত্ৰ পূৰণ কৰাৰ আগতে প্ৰত্যেকটো পৰিয়ালে আবেদনপত্ৰৰ লগত নাম অন্তৰ্ভূক্তিৰ বাবে সংলগ্ন কৰিবলগীয়া প্ৰয়োজনীয় নথি-পত্ৰসমূহ সংগ্ৰহ কৰাটো নিশ্চিত কৰিব।

উন্নীত কৰিবলগীয়া এন আৰ চিত নাম অন্তৰ্ভূক্তিৰ বাবে দুই ধৰণৰ আৱশ্যকতা পূৰণ কৰিব লাগিব -

**(ক) প্ৰথম আৱশ্যকতাটো হ'ল এয়ে যে আবেদনকাৰীয়ে 1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈকে প্ৰদান কৰা আৰু আবেদনকাৰীৰ নিজৰ নাইবা পূৰ্বপুৰুষৰ নাম নথিভূক্ত হৈ থকা তলৰ তালিকা-'A'ত উল্লেখিত অনুমোদিত নথিৰ যিকোনো এবিধ সংগ্ৰহ/দাখিল কৰিব লাগিব (যাৰ সহায়ত 1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈকে অসমত বসতি স্থাপন কৰাটো প্ৰতীয়মান হয়)।**

| তালিকা-'A' - 1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈকে অসমত বসতি স্থাপন প্ৰতীয়মান কৰা এই তালিকাভূক্ত নথিৰ যিকোনো এটা সংগ্ৰহনীয় |
|---|
| (১) ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী **নাইবা** |
| (২) ১৯৭১ চনলৈকে প্ৰকাশিত ভোটাৰ তালিকা **নাইবা,** |
| (৩) ভূমি আৰু ৰায়তীস্বত্বৰ নথিপত্ৰ **নাইবা,** |
| (৪) নাগৰিকত্বৰ প্ৰমাণপত্ৰ **নাইবা,** |
| (৫) স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ **নাইবা,** |
| (৬) শৰণাৰ্থী পঞ্জীয়ন প্ৰমাণপত্ৰ **নাইবা,** |
| (৭) পাছপোৰ্ট **নাইবা,** |
| (৮) ভাৰতীয় জীৱন বীমা নিগমৰ পলিচি **নাইবা,** |
| (৯) চৰকাৰৰ দ্বাৰা প্ৰদত্ত অনুজ্ঞাপত্ৰ/প্ৰমাণপত্ৰ **নাইবা,** |
| (১০) চৰকাৰী/ৰাজহুৱা খণ্ডৰ নিযুক্তি সম্পৰ্কীয় প্ৰমাণপত্ৰ **নাইবা,** |
| (১১) বেঙ্ক/ডাকঘৰৰ হিচাবৰ নথিপত্ৰ **নাইবা,** |
| (১২) জন্মৰ প্ৰমাণপত্ৰ **নাইবা,** |
| (১৩) বোৰ্ড/বিশ্ববিদ্যালয়ৰ শৈক্ষিক প্ৰমাণপত্ৰ **নাইবা,** |
| (১৪) আদালতৰ নথি/আদালতৰ প্ৰক্ৰিয়াজনিত নথি |

ইয়াৰ উপৰিও অন্য দুবিধ নথি যেনে (১) বিবাহসূত্ৰে স্থানান্তৰিত মহিলাসকলৰ সন্দৰ্ভত ৰাজহ চক্ৰ বিষয়া / গাওঁ পঞ্চায়তৰ সচিবৰ দ্বাৰা প্ৰদত্ত প্ৰমাণপত্ৰ (1971 চনৰ 24 মাৰ্চ (মাজনিশা)ৰ পূৰ্বে বা পিছৰ যিকোনো বছৰৰ হ'ব পাৰে) আৰু (২) 1971 চনৰ 24 মাৰ্চ (মাজনিশা)ৰ পূৰ্বে প্ৰদত্ত ৰেচন কাৰ্ড - সমৰ্থনমূলক নথিৰূপে দাখিল কৰিব পাৰিব। এই নথি দুবিধ ওপৰৰ তালিকা-A ৰ 14 বিধ নথিৰ ভিতৰৰ যিকোনো এবিধৰ সৈতে সংযোজিত হ'লেহে গ্ৰহণযোগ্য হ'ব।

**Office of the State Coordinator of National Registration (NRC)**
**Assam**
**NRC Details**

| | |
|---|---|
| Selected District : গোলাঘাট | Village : ওৱাৰ্ড নং ৩ |
| Name : শঙ্কৰ চন্দ্ৰ বৰুৱা | Father/Husband Name : কমল কৃষ্ণ |
| Image District Name : শিৱসাগৰ | Subdivision Name : গোলাঘাট |
| Thana Town : গোলাঘাট | Mauza : মৌথোৱা |
| House No : 129 | Sl. No. In House : 1 |
| Age : 57 | Gender : ম |
| Legacy Data Code : 210-0014-2674 | |
| | |
| Image Id : 11112332 | |

Generated by DLDD Version 3.0

**চিত্ৰ -১ ঃ** লিগেচি ডাটা শ্লিপৰ নমুনা (১৯৫১ চনৰ এন আৰ চি)

**Office of the State Coordinator of National Registration (NRC)**
**Assam**
**Voter Details**

| | |
|---|---|
| Selected District : কামৰূপ(মেট্ৰ) | Village : ৱাৰ্ড নং-১১ (শিলপুখুৰী) |
| Name : অমুল্য চৌধুৰী | Father/Husband Name : নীলকান্ত |
| Voter Sl. No. : 449 | LAC : ৫৮ নং পূৱ গুৱাহাটী সমষ্টি |
| Image District Name : কামৰূপ | Circle Name : গুৱাহাটী |
| Subdivision Name : --- | Thana Town : গুৱাহাটী |
| Mauza : উলুবাৰী | Block : 136 |
| Vote Year : 1970 | Gender : ম |
| Legacy Data Code : 160-3011-6409 | Age : 25 |
| | |
| Image Id : 06201076 | |

Generated by DLDD Version 3.0

**চিত্ৰ -২ ঃ** লিগেচি ডাটা শ্লিপৰ নমুনা (১৯৭০ চনৰ ভোটাৰ তালিকা)

**1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈ অসমত বসবাস কৰাৰ প্ৰমাণ সাপেক্ষ নথি সংগ্ৰহ কৰাৰ সংক্ৰান্তত মনত ৰাখিবলগীয়া কথা -**

১। 1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈ **যিকোনো সময়ত প্ৰদত্ত** তালিকা-Aত উল্লেখিত নথিৰ যিকোনো এবিধ নথি এন আৰ চিত নাম অন্তৰ্ভূক্তিৰ যোগ্যতাৰ বাবে পৰ্যাপ্ত হ'ব।

২। কেৱল 1966 চনৰ আগৰ নথি-পত্ৰহে গ্ৰাহ্য হ'ব বুলি প্ৰচাৰিত উৰাবাতৰি সম্পূৰ্ণ ভিত্তিহীন।

৩। 1951 চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আৰু 1971 চনৰ 24 মাৰ্চ (মাজনিশা) লৈকে প্ৰকাশিত ভোটাৰ তালিকা, উপলব্ধ অনুসাৰে, সমগ্ৰ ৰাজ্যৰে নাগৰিকপঞ্জী সেৱা কেন্দ্ৰ (এন এছ কে)সমূহত চৰকাৰে প্ৰকাশ কৰিছে। উক্ত নথিৰ বিনামূলীয়া 'প্ৰিন্টআউট' লিগেচি ডাটা শ্লিপ হিচাবে নাগৰিকপঞ্জী সেৱা কেন্দ্ৰসমূহৰ পৰা সংগ্ৰহ কৰিব পাৰে।

৪। এন আৰ চি ৱেবচাইট (www.nrcassam.nic.in)ৰ মাধ্যমেৰেও এই সুবিধা গ্ৰহণ কৰিব পাৰে।

৫। 1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈ অসমত বসবাস কৰাৰ প্ৰমাণ সাপেক্ষ তালিকা-'A' ৰ ক্ৰমিক নম্বৰ 3 ৰ পৰা 14 লৈ উল্লেখিত নথিবোৰৰ পৰা আবেদনকাৰীৰ লগত থকা প্ৰয়োজনীয় গ্ৰহণযোগ্য নথি-পত্ৰ দাখিল কৰিব। আবেদনকাৰীৰ হাতত থকা প্ৰয়োজনীয় নথি-পত্ৰ হেৰালে বা বিচাৰি নেপালে তেনে নথি-পত্ৰৰ নকল / প্ৰত্যায়িত নকল সেই নথি-পত্ৰসমূহ প্ৰদান কৰা কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰিব পাৰিব।

৬। পিতৃ-মাতৃৰ লগত সম্পৰ্কৰ যোগসূত্ৰ স্থাপনৰ বাবে বিবাহসূত্ৰে স্থানান্তৰিত মহিলাই ৰাজহ চক্ৰ বিষয়া / গাওঁ পঞ্চায়তৰ সচিবৰ দ্বাৰা প্ৰদত্ত প্ৰমাণপত্ৰ দাখিল কৰাটো ঐচ্ছিকহে, বাধ্যতামূলক নহয়। বিবাহিত মহিলাই সম্পৰ্কৰ যোগসূত্ৰ প্ৰমাণৰ বাবে দৰকাৰী অন্যান্য বিধিসন্মত নথিৰ অভাৱ হ'লেহে এনে নথিৰ প্ৰয়োজন হ'ব।

৭। 1951 চনৰ ৰাষ্টীয় নাগৰিকপঞ্জীত বা 1971 চনৰ 24 মাৰ্চ (মাজনিশা) লৈ প্ৰকাশিত ভোটাৰ তালিকাসমূহত নাম, বয়স আদি ভুলকৈ নথিভূক্ত হৈ থাকিলেও আবেদনকাৰীসকলে ক্ষেত্ৰ পৰ্যায়ৰ পৰীক্ষণৰ সময়ত উপযুক্ত ব্যক্তিৰ লগত সম্পৰ্কৰ যোগসূত্ৰ স্থাপনৰ পৰ্যাপ্ত সুবিধা পাব। এইক্ষেত্ৰত শপতনামা দাখিল কৰিলে ক্ষেত্ৰ পৰীক্ষণৰ ভিত্তিতহে তাৰ গ্ৰহণযোগ্যতা বিবেচিত হ'ব।

**তালিকা-'A'ত উল্লেখিত এই নথি-পত্ৰবোৰৰ যিকোনো এটা আবেদনপত্ৰৰ কোন স্থানত উল্লেখ কৰিব লাগিব ?**

1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈ প্ৰদত্ত নথি-পত্ৰসমূহৰ প্ৰসঙ্গ আবেদনপত্ৰৰ পৃষ্ঠা '৩' ত থকা প্ৰশ্ন 9a আৰু 9b বা প্ৰশ্ন 10a আৰু 10b বা প্ৰশ্ন 11a আৰু 11b ৰ উত্তৰ দিওঁতে উল্লেখ কৰিব লাগিব। এই নথি-পত্ৰসমূহৰ কেৱল ফটোকপিহে দাখিল কৰিব লাগিব। মূল নথি-পত্ৰসমূহ পৰীক্ষণৰ সময়ত দেখুৱাব লাগিব। নথি-পত্ৰসমূহ স্ব-প্ৰত্যায়িত হ'ব লাগিব। জনসাধাৰণে নথি-পত্ৰৰ কেৱল A4 জোখৰ ফটোকপিহে দাখিল কৰে যেন। নথি-পত্ৰৰ ফটোকপি কৰোঁতে পৃষ্ঠাটোৰ এপিঠিহে কৰিব, আনটো পিঠি/ খালী পিঠি খালী হৈয়ে থাকিব লাগিব।

**(খ) দ্বিতীয় আৱশ্যকতাটো হ'ল এয়ে যে - যেতিয়া তালিকা-'A'ৰ যিকোনো এবিধ নথিতউল্লেখিত নাম আবেদনকাৰীৰ নিজৰ নহৈ তেওঁৰ পূৰ্বপুৰুষৰ, যেনে, পিতৃ বা মাতৃ বা ককা বা আইতা বা আজোককা বা আজোআইতা (ইত্যাদি) হ'ব, তেতিয়া আবেদনকাৰীয়ে তলত উল্লেখিত তালিকা-'B'ৰ যিকোনো এবিধ নথি দাখিল কৰিব লাগিব যাৰ দ্বাৰা তালিকা- 'A'ৰ নথিত নাম থকা আবেদনকাৰীৰ পূৰ্বজ, অৰ্থাৎ পিতৃ বা মাতৃ বা ককা বা আইতা বা আজোককা বা আজোআইতা আদিৰ লগত সম্পৰ্কৰ যোগসূত্ৰ স্থাপিত হয়। এই নথি-পত্ৰসমূহ বিধিসন্মত আৰু সম্পৰ্কৰ যোগসূত্ৰ প্ৰতিপন্ন কৰিব পৰা হ'ব লাগিব।**

| তালিকা-'B' - তালিকা-'A'ৰ নথি-পত্ৰত উল্লেখিত ব্যক্তিৰ লগত যোগসূত্ৰ স্থাপনকাৰী নথি |
|---|
| (১) জন্মৰ প্ৰমাণপত্ৰ **নাইবা,** |
| (২) মাটি-বাৰীৰ নথিপত্ৰ **নাইবা,** |
| (৩) বোৰ্ড/বিশ্ববিদ্যালয়ৰ শৈক্ষিক প্ৰমাণপত্ৰ **নাইবা,** |
| (৪) বেঙ্ক/ভাৰতীয় জীৱন বীমা নিগম/ডাকঘৰৰ নথিপত্ৰ **নাইবা,** |
| (৫) চক্ৰ বিষয়া/গাঁও পঞ্চায়তৰ সচিবৰ দ্বাৰা প্ৰদত্ত প্ৰমাণপত্ৰ **নাইবা,** |
| (৬) ভোটাৰ তালিকা **নাইবা,** |
| (৭) ৰেচন কাৰ্ড **নাইবা,** |
| (৮) অন্য যিকোনো বিধিসন্মত গ্ৰহণযোগ্য নথিপত্ৰ |

*উদাহৰণস্বৰূপে, জন্মৰ প্ৰমাণপত্ৰত পিতৃ-মাতৃ আৰু সন্তানৰ নাম একেলগে একেটা নথিত উল্লেখ থকা বাবে পিতৃ-মাতৃ আৰু সন্তানৰ মাজৰ সম্পৰ্কৰ যোগসূত্ৰ সহজে প্ৰমাণ কৰিব পাৰি। সেইদৰে, মাটিৰ উত্তৰাধিকাৰসূত্ৰে হোৱা নামজাৰীৰ নথিত পিতৃ/মাতৃৰ আৰু সন্তানৰ নামৰ উল্লেখে পিতৃ-মাতৃৰ লগত সন্তানৰ সম্পৰ্কৰ যোগসূত্ৰ প্ৰমাণ কৰে। একেদৰে ভোটাৰ তালিকাটো পিতৃ আৰু সন্তানৰ নাম একেলগে থকাৰ বাবে তেওঁলোকৰ সম্পৰ্কৰ যোগসূত্ৰ এই নথিৰেও প্ৰমাণ কৰিব পাৰি।*

**1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈকে প্ৰদত্ত তালিকা-'A'ত থকা যিকোনো নথিত উল্লেখিত ব্যক্তিৰ নামৰ সৈতে যোগসূত্ৰ স্থাপন কৰাৰ বিষয়ত মনত ৰাখিবলগীয়া কথা -**

১। তালিকা-'B' ত উল্লেখিত নথিসমূহ সমৰ্থনমূলক।

২। পিতৃ-মাতৃ বা পূৰ্বজৰ লগত যোগসূত্ৰ প্ৰতিপন্ন কৰাৰ বাবে (১) পৰিয়ালৰ সদস্য আৰু (২) তালিকা-'A' ত উল্লেখিত নথিপত্ৰৰ যিকোনো এবিধত উল্লেখিত ব্যক্তিজনৰ মাজৰ সম্পৰ্ক স্পষ্টকৈ প্ৰতীয়মান কৰা যিকোনো বিধিসন্মত নথি গ্ৰহণযোগ্য হ'ব। এনেধৰণৰ নথিবোৰ, প্ৰদানকাৰী কৰ্তৃপক্ষৰ লগত থকা মূল নথিৰ সৈতে ৰিজাই চাই পৰীক্ষা কৰিব পৰা হ'ব লাগিব।

৩। সম্বন্ধ / যোগসূত্ৰসূচক এই নথিসমূহ 1971 চনৰ 24 মাৰ্চ (মাজনিশা)ৰ পূৰ্বে বা পিছতো প্ৰদান কৰা হ'ব পাৰে।

৪। পিতৃ-মাতৃৰ লগত সম্পৰ্কৰ যোগসূত্ৰ স্থাপনৰ বাবে বিবাহসূত্ৰে স্থানান্তৰিত মহিলাই ৰাজহ চক্ৰ বিষয়া / গাওঁ পঞ্চায়তৰ সচিবৰ দ্বাৰা প্ৰদত্ত প্ৰমাণপত্ৰ দাখিল কৰাটো ঐচ্ছিকহে, বাধ্যতামূলক নহয়। বিবাহিত মহিলাই সম্পৰ্কৰ যোগসূত্ৰ প্ৰমাণৰ বাবে দৰকাৰী অন্যান্য বিধিসন্মত নথিৰ অভাৱ হ'লেহে এনে নথিৰ প্ৰয়োজন হ'ব।

**তালিকা-'B'ত উল্লেখিত এই নথি-পত্ৰবোৰৰ যিকোনো এটা আবেদনপত্ৰৰ কোন স্থানত উল্লেখ কৰিব লাগিব ?**

তালিকা-B ত উল্লেখিত নথিবোৰৰ প্ৰসংগ আবেদনপত্ৰৰ পৃষ্ঠা C ত থকা প্ৰশ্ন 9c আৰু প্ৰশ্ন 9d বা প্ৰশ্ন 10c আৰু 10d বা প্ৰশ্ন 11c আৰু প্ৰশ্ন 11d ৰ উত্তৰ দিওঁতে উল্লেখ কৰিব লাগিব। এই নথি-পত্ৰসমূহৰ কেৱল ফটোকপিহে দাখিল কৰিব লাগিব। মূল নথি-পত্ৰসমূহ পৰীক্ষণৰ সময়ত দেখুৱাব লাগিব। নথি-পত্ৰসমূহ স্ব-প্ৰত্যায়িত হ'ব লাগিব। জনসাধাৰণে নথি-পত্ৰৰ কেৱল A4 জোখৰ ফটোকপিহে দাখিল কৰে যেন। নথি-পত্ৰৰ ফটোকপি কৰোঁতে পৃষ্ঠাটোৰ এপিঠিহে কৰিব, আনটো পিঠি/ খালী পিঠি খালী হৈয়ে থাকিব লাগিব।

**২। পৰিয়ালৰ প্ৰতিজন সদস্যৰ বাবে 2.5 চে.মি. x 2.5 চে.মি. আকাৰৰ বগা পৃষ্ঠভূমিত তোলা ফটো সংগ্ৰহ কৰি লওক।**

পৰিয়ালৰ প্ৰতিজন সদস্যই আবেদনপত্ৰৰ নিৰ্দিষ্ট স্থানত নিজৰ শেহতীয়া ৰঙীণ ফটো আঠা লগাই দিব লাগিব। ফটোখন মুখমণ্ডলৰ সম্পূৰ্ণ সন্মুখ অৱস্থানৰপৰা তুলিব লাগিব আৰু সমগ্ৰ ফ্ৰেমৰ 80 শতাংশ (৮০%) মুখমণ্ডলে আগুৰিব লাগিব। চকু খোলা অৱস্থাত থাকিব লাগিব আৰু নিৰ্দ্দিষ্ট স্থানত সমানভাবে আৰু স্পষ্টকৈ দেখা পাব লাগিব। ফটোখন বগা পৃষ্ঠভূমিত তোলা ৰঙীণ আৰু 2.5 চে.মি. x 2.5 চে.মি. আকাৰৰ হ'ব লাগিব। ফটোখন মূৰৰ ওপৰৰ অংশৰ পৰা থুঁতৰিৰ তললৈ স্পষ্টকৈ থাকিব লাগিব আৰু ফ্ৰেমৰ সোঁমাজত থাকিব লাগিব। পিছফালে বা মুখমণ্ডলত কোনো ধৰণৰ বিভ্ৰান্তিকৰ ছাঁ থাকিব নালাগিব। ধৰ্ম্মীয় কাৰণৰ বাহিৰে কোনো কাৰণত মূৰৰ অংশ আৱৰি ৰাখি তোলা ফটো গ্ৰাহ্য নহ'ব। ধৰ্ম্মীয় শিঠিলতাৰ আলমত তোলা ফটোগ্ৰাফৰ ক্ষেত্ৰতো থুঁতৰিৰ তলৰ পৰা কপালৰ ওপৰলৈ আৰু মুখমণ্ডলৰ দুয়োকাষ স্পষ্টকৈ দেখা পোৱা হ'ব লাগিব। মুখ মণ্ডলত স্বাভাৱিক ভংগিমা ফুটি উঠিব লাগিব। ফটোখন ভাল গুণ বিশিষ্ট আঠা ব্যৱহাৰ কৰি যথোচিতভাৱে লগাব লাগিব। কেতিয়াও ষ্টেপ্‌লাৰ বা পিন ব্যৱহাৰ নকৰিব।

## এন আৰ চি আবেদনপত্ৰ - এটি চমু ৰূপৰেখা

- **পৃষ্ঠা-A ঃ**

  আবেদনপত্ৰখনৰ এই পৃষ্ঠাত ব্যক্তিগত বিৱৰণসমূহ যেনে, নাম, মোবাইল নম্বৰ, বয়স, লিঙ্গ, শিক্ষা, জীৱিকা আদিৰ উল্লেখ কৰিব লাগিব।




*আবেদনপত্ৰৰ পৃষ্ঠা A*

- **পৃষ্ঠা-B**

  এই পৃষ্ঠাত স্থান সম্বন্ধীয় বিৱৰণ যেনে, স্থায়ী ঠিকনা, বৰ্তমান ঠিকনা আৰু জন্মৰ স্থানৰ বিষয়ে উল্লেখ কৰিব লাগিব। এই পৃষ্ঠাতেই সদস্যসকলৰ ফটোও লগাব লাগিব।




*আবেদনপত্ৰৰ পৃষ্ঠা B*

- **পৃষ্ঠা-C**

  এন আৰ চিত আবেদনকাৰীৰ নাম অন্তৰ্ভূক্তিৰ বাবে যোগ্যতা অৰ্জনৰ অতি গুৰুত্বপূৰ্ণ বিষয়টো এই পৃষ্ঠাত উল্লেখিত তথ্যসমূহৰ ভিত্তিত নিৰ্ণিত হ'ব।




*আবেদনপত্ৰৰ পৃষ্ঠা C*

- **পৃষ্ঠা-D**

  এই পৃষ্ঠাটো 1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈ অসমৰ বাহিৰে, অন্য স্থানত বসবাস কৰা লোকসকলৰ বাবে প্ৰযোজ্য। অসমত অতীজৰে পৰা বসবাস কৰা লোকসকল, তেওঁলোকৰ পুত্ৰ-কন্যা আৰু বংশধৰসকল, যিসকল ভাৰতীয় নাগৰিক আৰু 1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈ অসমৰ বাহিৰে, অন্য স্থানত বসবাস কৰি আছিল, তেওঁলোকে এই পৃষ্ঠাত তেওঁলোকৰ তথ্য-পাতি দাখিল কৰিব পাৰিব।




*আবেদনপত্ৰৰ পৃষ্ঠা D*

## আবেদনপত্ৰ কিদৰে পূৰণ কৰিব ?

আবেদনপত্ৰ **ক'লা চিঞাহীৰ বল-পইন্ট কলম** ব্যৱহাৰ কৰি পূৰাব। ইংৰাজী ভাষাত আবেদনপত্ৰ পূৰালে, সকলোবোৰ প্ৰশ্নৰ উত্তৰৰ তথ্য **বৰফলা আখৰেৰে** লিখিব। আবেদনপত্ৰত পৰিয়ালৰ প্ৰতিজন সদস্যৰ ব্যক্তিগত তথ্য নথিভূক্ত হ'ব। প্ৰতিখন আবেদনপত্ৰত পৰিয়ালৰ ৬ (ছয়)জন সদস্যৰ তথ্য ভৰাব পাৰিব। কোনো পৰিয়ালত 6 (ছয়) গৰাকীতকৈ বেছি সদস্য থাকিলে অতিৰিক্ত আবেদনপত্ৰ ব্যৱহাৰ কৰিব লাগিব।

### পৃষ্ঠা-A

**সদস্য ক্ৰমিক নম্বৰ**




পৰিয়ালৰ মূৰব্বীৰ পৰা আৰম্ভ কৰি 1 নং ক্ৰমিক নম্বৰেৰে ক্ৰম আৰম্ভ কৰিব লাগিব। কোনো পৰিয়ালত 6 (ছয়) গৰাকীতকৈ বেছি সদস্য থাকিলে অতিৰিক্ত আবেদনপত্ৰৰ প্ৰয়োজন হ'ব কিন্তু, অতিৰিক্ত আবেদনপত্ৰত এই স্তম্ভ পৰিয়ালৰ মূৰব্বীৰ পৰা আৰম্ভ কৰিব নালাগে। অতিৰিক্ত আবেদনপত্ৰত প্ৰয়োজন অনুসাৰে সদস্য ক্ৰমিক নম্বৰৰ ক্ৰম 7, 13 বা 19 নম্বৰ ক্ৰমিকৰ পৰা আৰম্ভ কৰিব লাগিব।

পৃষ্ঠা Aত উল্লেখিত সদস্য ক্ৰমিক নম্বৰৰ একেটা ক্ৰম আবেদনপত্ৰৰ চাৰিওটা পৃষ্ঠাতে মানি চলিব লাগিব। উদাহৰণস্বৰূপে, কোনো এটা কাল্পনিক পৰিয়ালৰ ক্ষেত্ৰত পৃষ্ঠা A অৰ্থাৎ আবেদনপত্ৰৰ প্ৰথম পৃষ্ঠাত যদি পৰিয়ালৰ মূৰব্বীৰ সদস্য ক্ৰমিক নম্বৰ 1, মূৰব্বীৰ স্ত্ৰীৰ সদস্য ক্ৰমিক নম্বৰ 2, মূৰব্বীৰ পুত্ৰৰ সদস্য ক্ৰমিক নম্বৰ 3, কন্যাৰ সদস্য ক্ৰমিক নম্বৰ 4, সদস্য ক্ৰমিক নম্বৰ 3 আৰু 4 ৰ প্ৰথম সন্তানৰ সদস্য ক্ৰমিক নম্বৰ 5 আৰু সদস্য ক্ৰমিক নম্বৰ 3 আৰু 4 ৰ দ্বিতীয় সন্তানৰ সদস্য ক্ৰমিক নম্বৰ 6 ব্যৱহাৰ কৰা হয়, তেন্তে, সদস্য ক্ৰমিক নম্বৰৰ এই একেটা ক্ৰম আবেদনপত্ৰৰ বাকী তিনিওটা পৃষ্ঠাতেই অনুসৰণ কৰিব লাগিব।

**প্ৰশ্ন1a ব্যক্তিৰ সম্পূৰ্ণ নাম (পৰিয়ালৰ মূৰব্বীৰ পৰা আৰম্ভ কৰিব)**

পৰিয়ালৰ মূৰব্বীৰ পৰা আৰম্ভ কৰি, প্ৰত্যেক সদস্যৰ সম্পূৰ্ণ নাম পৰিয়ালৰ সঠিক ক্ৰমিক নম্বৰৰ বিপৰীতে লিখিব লাগিব। নাম লিখিবলৈ দুটা শাৰী দিয়া আছে। শাৰী দুটাৰ ঠাইখিনি আংশিকভাৱে বা সম্পূৰ্ণকৈ ব্যৱহাৰ কৰিব পাৰিব।

**প্ৰশ্ন1b লেণ্ডলাইন / মোবাইল নম্বৰ**




প্ৰশ্ন 1aত উল্লেখ কৰা প্ৰত্যেকজন সদস্যৰ টেলিফোন / মোবাইল নম্বৰ লিখিব। যদি, কোনো নম্বৰ নাই তেনেহ'লে 1b ঠাইখিনি পূৰণ কৰিব নালাগে।

**প্ৰশ্ন2a মূৰব্বীৰ সৈতে সম্বন্ধ ঃ** ইয়াত পৰিয়ালৰ মূৰব্বীৰ সৈতে প্ৰত্যেকজন সদস্যৰ সম্পৰ্ক পৃষ্ঠা-'A' ৰ তলত থকা প্ৰশ্ন $2a^{2a}$ ৰ অন্তৰ্ভূক্ত ক'ডসমূহৰ পৰা বাছনি কৰি প্ৰযোজ্য ক'ড নম্বৰটো লিখিব লাগিব। উদাহৰণস্বৰূপে, সদস্য ক্ৰমিক নম্বৰ 1 অৰ্থাৎ পৰিয়ালৰ মূৰব্বীয়ে তেখেতৰ সৈতে পৰিয়ালৰ মূৰব্বীৰ সম্বন্ধৰ ক্ষেত্ৰত নিৰ্দ্ধাৰিত ঠাইত তেওঁ নিজেই পৰিয়ালৰ মূৰব্বী হোৱা বাবে '1' লিখিব লাগিব। অন্য সদস্যসকলৰ ক্ষেত্ৰত মূৰব্বীৰ সৈতে থকা তেওঁলোকৰ সম্বন্ধৰ ক'ড সেই একেখন তালিকাৰ পৰাই বাছনি কৰি উল্লেখ কৰিব লাগিব। উদাহৰণস্বৰূপে, পৰিয়ালৰ মূৰব্বীজন সদস্য ক্ৰমিক নম্বৰ '3' ৰ 'পিতৃ' হ'লে সদস্য ক্ৰমিক নম্বৰ '3' য়ে মূৰব্বীজনৰ লগত তেওঁৰ সম্বন্ধ বুজাবলৈ নিৰ্দ্ধাৰিত ঠাইত ক'ড নম্বৰ '5' লিখাৰ উপৰিও যথাস্থানত 'পিতৃ' বুলিও লিখিব লাগিব। 'অন্যান্য' বাছনি কৰা সকলৰ ক্ষেত্ৰত ক'ড নম্বৰ আৰু মূৰব্বীৰ সৈতে সম্পৰ্কৰ বিৱৰণ দিব লাগিব।




***আবেদনপত্ৰত ঘৰত থকা আত্মীয়-স্বজন আৰু ঘৰুৱা কামত নিয়োজিত লগুৱা আদিৰ তথ্য ভৰাব নালাগে, সেইসকলে নিজৰ নিজৰ মূল পৰিয়ালৰ লগত আবেদন কৰিব লাগিব।***

***প্ৰশ্ন $2a^{2a}$ ৰ বাবে পৃষ্ঠা A ৰ তলত দিয়া ক'ডসমূহ ঃ***

| প্ৰশ্ন. 2 a | | |
|---|---|---|
| | 2a মুৰব্বী/স্বয়ং ..... 1 | আজো ককা/আজো আইতা ... 7 |
| | স্বামী/স্ত্ৰী .......... 2 | শহুৰ/শাহু ............................ 8 |
| | পুত্ৰ/কন্যা ......... 3 | আইনী অভিভাৱক ................ 9 |
| | নাতি/নাতিনী .... 4 | প্ৰতিষ্ঠানিক মুৰব্বী ............... 10 |
| | পিতৃ/মাতৃ ......... 5 | অন্যান্য ঃ বিশদভাবে উল্লেখ কৰিব ...................... 11 |
| | ককা/আইতা ..... 6 | |

**প্ৰশ্ন 2b লিঙ্গ**

প্ৰশ্ন 2b[2b] ৰ বাবে নিৰ্দিষ্ট ঠাইত এই পৃষ্ঠাৰ তলত দিয়া তালিকাৰ পৰা সদস্যসকলৰ লিঙ্গ বুজোৱা প্ৰযোজ্য ক'ডটো লিখিব। পুৰুষৰ বাবে প্ৰযোজ্য ক'ড সংখ্যা 1, মহিলাৰ বাবে প্ৰযোজ্য ক'ড সংখ্যা 2 আৰু অন্যান্যসকলৰ বাবে প্ৰযোজ্য ক'ড সংখ্যা ৩ লিখিব লাগিব।

প্ৰশ্ন **2b** [2b] পুৰুষ .....1 মহিলা ..... 2 অন্যান্য .....3

**প্ৰশ্ন 2c বৈবাহিক স্থিতি**

প্ৰশ্ন 2c[2c] ৰ বাবে নিৰ্দিষ্ট ঠাইত এই পৃষ্ঠাৰ তলত দিয়া তালিকাৰ পৰা সদস্যসকলৰ বৈবাহিক স্থিতি বুজোৱা প্ৰযোজ্য ক'ডটি লিখিব। উদাহৰণস্বৰূপে, কোনো সদস্যই যদি কেতিয়াও বিবাহ কৰোৱা নাই / অবিবাহিত, তেন্তে '1' লিখিব লাগিব। যদি আন এজন সদস্যই বৰ্তমানে বিবাহ কৰাইছে/ বৰ্তমানে বিবাহিত তেন্তে, তেওঁৰ ক্ষেত্ৰত '2' ব্যৱহাৰ হ'ব। বৰলা/বিধবাৰ বাবে-'3' পৃথকে থকা হলে -'4' আৰ বিবাহবিচ্ছেদিত হলে -'5' লিখিব

প্ৰশ্ন. **2 c** [2c]
অবিবাহিত ........ 1
বিবাহিত ........... 2
বৰলা/বিধৱা .... 3
পৃথকে থকা .......... 4
বিবাহ বিচ্ছেদিত .... 5

**প্ৰশ্ন 3a জন্মৰ তাৰিখ**

ইংৰাজী কেলেণ্ডাৰ অনুসৰি DD/MM/YYYY হিচাবে জন্মৰ তাৰিখ লিখিব। উদাহৰণস্বৰূপে, যদি কোনো এজন ব্যক্তিৰ 1988 চনৰ 22 জানুৱাৰী তাৰিখে জন্ম হৈছে, তেন্তে তেওঁৰ জন্মৰ তাৰিখ হ'ব 22-01-1988। যদি কোনো ব্যক্তিৰ নিজৰ জন্মৰ সঠিক তাৰিখ মনত নাই, তেন্তে সেই স্তম্ভটো খালী ৰাখিব আৰু তেওঁৰ আনুমানিক বয়স বছৰৰ হিচাবত প্ৰশ্ন 3b ত উল্লেখ কৰিব লাগিব।

প্ৰশ্ন. **3 a** [3a] জন্মৰ তাৰিখ
প্ৰশ্ন. **3 b** বয়স
(ঘোষনা কৰা মতে)
(1 এপ্ৰিল 2015লৈকে)

| 3a | | | |
|---|---|---|---|
| D | D | M | M |
| Y | Y | Y | Y |

3b
বয়স (বছৰৰ হিচাপত)

**প্ৰশ্ন 3b বয়স (ঘোষণা কৰা মতে) (1 এপ্ৰিল 2015 তাৰিখত)**

জন্মৰ প্ৰকৃত তাৰিখ মনত নাথাকিলে, বয়সটো বছৰৰ হিচাবত উল্লেখ কৰিব লাগিব। যদি কোনোবাই প্ৰশ্ন 3aৰ উত্তৰ দিছে তেওঁ প্ৰশ্ন 3b স্তম্ভটো খালী ৰাখিব পাৰে। উদাহৰণস্বৰূপে, 1988 চনত জন্মগ্ৰহণ কৰা ব্যক্তিজনৰ জন্মৰ প্ৰকৃত তাৰিখটো মনত নাথাকিলে, তেওঁৰ এই স্তম্ভৰ বিপৰীতে তেওঁৰ বয়স 27 বছৰ বুলি লিখিব লাগিব। কোনো সন্তান 2015 চনৰ 1 এপ্ৰিল তাৰিখৰ পিছত জন্ম হ'লে জন্মৰ প্ৰকৃত তাৰিখ দিয়াটো বাধ্যতামূলক।

**প্ৰশ্ন 4a ৰাষ্ট্ৰীয়তা (ঘোষণা কৰা মতে)**

সদস্যৰ ৰাষ্ট্ৰীয়তা প্ৰত্যেকজন সদস্যই কৰা ঘোষণা মতে উল্লেখ কৰিব। যদি আবেদনকাৰীয়ে নিজক ভাৰতীয় বুলি ঘোষণা কৰে তেনেহ'লে নিৰ্দিষ্ট ঠাইত তেওঁ সংখ্যা '1' লিখিব লাগিব। যদি ব্যক্তিগত সদস্য এজনে তেওঁৰ ৰাষ্ট্ৰীয়তা ভাৰতীয়ভিন্ন আন দেশৰ বুলি ঘোষণা কৰে তেন্তে, তেওঁ দেশখনৰ নাম উল্লেখ কৰিব। এইখিনিতে মনত ৰাখিব লাগিব যে, এই আবেদনপত্ৰখনত, ৰাষ্ট্ৰীয়তা, আবেদনকাৰীয়ে ঘোষণা কৰা মতেহে লিপিবদ্ধ কৰা হ'ব আৰু এই ঘোষণাৰ দ্বাৰা ভাৰতীয় নাগৰিকত্ব পোৱাৰ বাবে কোনো অধিকাৰ সাব্যস্ত নহয়।

**প্ৰশ্ন 4b প্ৰতিজন সদস্যৰ শিক্ষাগত অৰ্হতা**

সদস্য এজনৰ শিক্ষাগত অৰ্হতা সম্বন্ধে দিবলগীয়া উত্তৰত 4b কলমত পৃষ্ঠা 'A'ৰ তলৰ প্ৰশ্ন 4b[4b]ৰ বিপৰীতে থকা **"প্ৰতিজন সদস্যৰ শিক্ষাগত অৰ্হতা"** শীৰ্ষক তালিকাৰ পৰা বাছনি কৰি প্ৰযোজ্য ক'ড নম্বৰটো লিখিব লাগিব। 'অন্যান্য' বাছনি কৰাসকলৰ ক্ষেত্ৰত ক'ড সংখ্যা 8 আৰু শিক্ষাগত অৰ্হতাৰ বিতং বিৱৰণ দিব লাগিব।

প্ৰশ্ন. **4a** [4a] ৰাষ্ট্ৰীয়তা [3] (ঘোষনা কৰা অনুসাৰে)
প্ৰশ্ন. **4b** [4b] শিক্ষাগত অৰ্হতা
প্ৰশ্ন. **4c** [4c] বৃত্তি/পেচা

4a ৰাষ্ট্ৰীয়তা
4b শিক্ষা
4c বৃত্তি/পেচা

প্ৰশ্ন. **4 b** [4b] **প্ৰতিজন সদস্যৰ শিক্ষাগত অৰ্হতা**

| | |
|---|---|
| নিৰক্ষৰ ...................... 1 | মাধ্যমিক ......................... 5 |
| স্বাক্ষৰ কিন্তু প্ৰাথমিক স্তৰতকৈ তলত ........... 2 | উচ্চ মাধ্যমিক ................. 6 |
| প্ৰাথমিক ..................... 3 | স্নাতক / স্নাতকোত্তৰ ..... 7 |
| মধ্য ইংৰাজী ............... 4 | অন্যান্য ঃ বিশদভাবে উল্লেখ কৰিব ................... 8 |

**প্ৰশ্ন 4c বৃত্তি/পেচা**

সদস্য এজনৰ বৃত্তি/পেচা সম্বন্ধীয় তথ্য জনাবলৈ এই পৃষ্ঠাৰ তলত প্ৰশ্ন 4c[4c]ৰ বিপৰীতে **"প্ৰতিজন সদস্যৰ বৃত্তি/পেচা"** শীৰ্ষক তালিকাৰ পৰা বাছনি কৰি প্ৰযোজ্য ক'ড সংখ্যাটো লিখিব লাগিব। 'অন্যান্য' বাছনি কৰাসকলৰ ক্ষেত্ৰত প্ৰযোজ্য ক'ড 7 উল্লেখ কৰাৰ উপৰিও বৃত্তি/পেচাৰ বিতং বিৱৰণ দিব লাগিব।

প্ৰশ্ন. **4 c** [4c] **প্ৰতিজন সদস্যৰ বৃত্তি/পেচা**

| | | |
|---|---|---|
| চাকৰীয়াল .................. 1 | দিন মজুৰি কৰা শ্ৰমিক ... 4 | অন্যান্য ঃ বিশদভাবে উল্লেখ কৰিব ............ 7 |
| স্ব-নিয়োজন/ব্যৱসায় ... 2 | লগুৱা/ঘৰুৱা কৰ্মচাৰী ... 5 | |
| কৃষি ........................... 3 | নিবনুৱা ........................ 6 | |

**প্ৰশ্ন 5 পিতৃ, মাতৃ আৰু স্বামী/স্ত্ৰীৰ (বিবাহিত হ'লে) সম্পূৰ্ণ নাম আৰু তেওঁলোক একেটা পৰিয়ালৰ সদস্য হ'লে, সদস্য ক্ৰমিক নম্বৰৰ ঘৰত উল্লেখ কৰা মতে পিতৃ, মাতৃ আৰু স্বামী/স্ত্ৰীৰ ক্ৰমিক নম্বৰ লিখিব।**

উদাহৰণস্বৰূপে, যদি পৰিয়ালৰ মূৰব্বীৰ ক্ৰমিক নম্বৰ '1', তেওঁৰ পত্নীৰ ক্ৰমিক নম্বৰ '2' আৰু তেওঁলোকৰ পুত্ৰৰ ক্ৰমিক নম্বৰ '3' হয়, তেনেহ'লে পুত্ৰই (সদস্য ক্ৰমিক নম্বৰ '3') পিতৃ আৰু মাতৃৰ সম্পূৰ্ণ নাম লিখাৰ পৰিবৰ্তে নিৰ্দ্ধাৰিত ঠাইত পিতৃৰ নামৰ বিপৰীতে থকা ক্ৰমিক নম্বৰ '1' আৰু মাতৃৰ নামৰ বিপৰীতে থকা ক্ৰমিক নম্বৰ '2' লিখিলেই হ'ব।

প্ৰশ্ন. **5** পিতৃ-মাতৃ, স্বামী-স্ত্ৰীৰ (যদি বিবাহিত) সম্পূৰ্ণ নাম নাইবা এইসকল যদি এই পৰিয়ালৰ সদস্য হয় তেন্তে ক্ৰমিক নম্বৰ কলমত উল্লেখ কৰা মতে পিতৃ-মাতৃ আৰু স্বামী-স্ত্ৰীৰ ক্ৰমিক নম্বৰ লিখিব

| | |
|---|---|
| পিতৃ | ক্ৰমিক নং |
| মাতৃ | ক্ৰমিক নং |
| স্বামী/ স্ত্ৰী (যদি বিবাহিত) | ক্ৰমিক নং |

## পৃষ্ঠা-B

**প্ৰশ্ন 6a বৰ্তমানৰ ঠিকনা (যদি পৰিয়ালৰ সকলো সদস্যৰ ঠিকনা মূৰব্বীৰ ঠিকনাৰ লগত একে হয় তেনেহ'লে 'একে' বুলি লিখিব)**

পৰিয়ালৰ প্ৰতিজন সদস্যৰে (i) ঘৰ/ভৱনৰ নাম ও নম্বৰৰ পৰা আদি কৰি (ii) এলেকা/ৰাস্তা/ডাকঘৰ (iii) গাওঁ/চহৰ (iv) চক্ৰ (ৰাজহ চক্ৰ) (v) জিলা (vi) ৰাজ্য/ দেশৰ নাম আৰু (vii) পিন ক'ডসহ বৰ্তমানৰ সম্পূৰ্ণ ঠিকনা আবেদনপত্ৰৰ নিৰ্দিষ্ট স্থানত লিখিব লাগিব। সদস্য ক্ৰমিক নম্বৰ 2, 3, 4 প্ৰমুখ্যে বাকী সদস্যসকলৰ বৰ্তমান ঠিকনা যদি মূৰব্বীৰ ঠিকনাৰ সৈতে একে হয় তেন্তে, সেই সদস্যসকলে ঠিকনা পুনৰাবৃত্তি নকৰি প্ৰশ্ন 6aৰ উত্তৰত নিৰ্দিষ্ট ঠাইত 'একে' বুলি লিখিলেই হ'ব।

প্ৰশ্ন. **6 a** বৰ্তমানৰ ঠিকনা
*(যদি পৰিয়ালৰ মুৰব্বীজনৰ লগত অন্য সদস্যসকলৰ ঠিকনা একে তেন্তে 'একে' বুলি লিখক)*
প্ৰশ্ন. **6 b** বসবাস কৰাৰ সময়সীমা
(বছৰৰ হিচাপত 01-04-2015 তাৰিখ পৰ্যন্ত উল্লেখ কৰক)

6a
ঘৰৰ/অট্টালিকাৰ নাম/নং
অঞ্চল/ৰাস্তাৰ নাম/ডাক ঘৰ
গাওঁ/চহৰ চক্ৰ জিলা
ৰাজ্য/ দেশ | পি | ন | | কো | ড | | 6b বছৰ

**প্ৰশ্ন 6b বসবাসৰ সময়সীমা (1 এপ্ৰিল 2015ত বছৰৰ হিচাবত)**

আবেদনপত্ৰত পিন ক'ড লিখাৰ বাবে নিৰ্দিষ্ট কৰা ঠাইৰ সোঁকাষে থকা সৰু বাকচত, 1 এপ্ৰিল 2015 তাৰিখলৈ বৰ্তমানৰ ঠিকনাত সদস্যজনে বাস কৰা সময়সীমাৰ কথা লিখিব লাগিব। বসবাস কৰাৰ সময় বছৰৰ হিচাবত লিখিব লাগিব। উদাহৰণস্বৰূপে, যদি কোনো সদস্যই বৰ্তমানৰ ঠিকনাত ৩০ বছৰৰো অধিক সময় ধৰি বসবাস কৰি আছে, তেনেহ'লে নিৰ্দিষ্ট বাকচত "৩০" সংখ্যাটো লিখিব লাগিব।

**প্ৰশ্ন 7 স্থায়ী ঠিকনা (যদি প্ৰশ্ন 6aৰ উত্তৰৰ লগত একে হয় তেন্তে 'একে' বুলি লিখিব, অন্যথা সম্পূৰ্ণ ঠিকনা লিখিব)**

পৰিয়ালৰ প্ৰত্যেকজন সদস্যই (i) ঘৰ/ভৱনৰ নাম ও নম্বৰৰ পৰা আদি কৰি (ii) এলেকা/ৰাস্তা/ডাকঘৰ (iii) গাওঁ/চহৰ (iv) চক্ৰ (ৰাজহ চক্ৰ) (v) জিলা (vi) ৰাজ্য/ দেশৰ নাম আৰু (vii) পিন ক'ডসহ সম্পূৰ্ণ স্থায়ী ঠিকনা আবেদনপত্ৰৰ নিৰ্দিষ্ট স্থানত লিখিব লাগিব।

স্থায়ী ঠিকনা যদি সদস্যসকলৰ বৰ্তমানৰ ঠিকনাৰ সৈতে একে হয় তেন্তে সদস্যসকলে স্থায়ী ঠিকনা পুনৰ লিখিব নালাগে আৰু প্ৰশ্ন 7ৰ উত্তৰত নিৰ্দিষ্ট ঠাইত 'একে' বুলি লিখিলেই হ'ব।

প্ৰশ্ন. **7** স্থায়ী ঠিকনা
*(যদি প্ৰশ্ন. '6a' ৰ উত্তৰৰ সৈতে একে হয়, 'একে' বুলি লিখিব, নহ'লে সম্পূৰ্ণ ঠিকনা লিখিব)*

ঘৰৰ/অট্টালিকাৰ নাম/নং
অঞ্চল/ৰাস্তাৰ নাম/ডাক ঘৰ
গাওঁ/চহৰ চক্ৰ জিলা
ৰাজ্য/ দেশ | পি | ন | | ক' | ড |

**প্ৰশ্ন 8 জন্মৰ স্থান**

(১) গাওঁ/এলেকা (২) জিলা (৩) ৰাজ্য/ দেশ আদিৰ নাম উল্লেখ কৰি পৰিয়ালৰ প্ৰত্যেকজন সদস্যৰ জন্মৰ স্থানৰ বিৱৰণ নিৰ্দিষ্ট ঠাইত লিখিব লাগিব। অতিৰিক্ত তথ্য যেনে, ঘৰৰ নম্বৰ আদিৰ উল্লেখ নিষ্প্ৰয়োজন।

**বগা পৃষ্ঠভূমিত তোলা শেহতীয়া ফটোগ্ৰাফ ঃ**

**বগা ৰঙাৰ পৃষ্ঠভূমিত তোলা শেহতীয়া ৰঙীণ ফটো আঠা লগাই লগাব (ষ্টেপ্লাৰ বা আলপিন ব্যবহাৰ নকৰিব।)**

**প্ৰশ্ন 8**ৰ জন্ম স্থানৰ কাষৰ নিৰ্দিষ্ট ঠাইত পৰিয়ালৰ প্ৰতিজন সদস্যৰ বগা পৃষ্ঠভূমিত তোলা শেহতীয়া ৰঙীণ ফটোগ্ৰাফ লগাই দিব লাগিব। ফটো কেনেকৈ ল'ব, ছপা কৰিব আৰু লগাব সেই বিষয়ত আবেদনপত্ৰ পূৰণৰ 'প্ৰাথমিক আৱশ্যকতা' শিতানত আগতে নিৰ্দেশনা দিয়া আছে।

প্ৰশ্ন. **8** জন্মৰ স্থান
গাওঁ/চহৰ
জিলা
ৰাজ্য/ দেশ

ফটো
2.5চেঃমিঃ X 2.5চেঃমিঃ

## পৃষ্ঠা-C

***আবেদনকাৰীয়ে উন্নীত কৰিবলগীয়া ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভূক্তিৰ বাবে কেনেকৈ যোগ্যতা প্ৰতিপন্ন কৰিব সেই বিষয়ে আবেদনপত্ৰৰ 'C' পৃষ্ঠাত উল্লেখ কৰিব লাগিব।***

'আবেদনপত্ৰ পূৰণৰ বাবে প্ৰাথমিক আৱশ্যকতা' শিতানত উল্লেখ কৰা মতে,

(ক) 1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈকে অসমত বাসস্থান থকাৰ প্ৰমাণ সাপেক্ষ 'A'-তালিকাভূক্ত নথিসমূহ আৰু

(খ) তালিকা-A ৰ নথিসমূহত উল্লেখিত ব্যক্তিৰ লগত সম্পৰ্কৰ যোগসূত্ৰ প্ৰতিপন্ন কৰা 'B'-তালিকাভূক্ত নথিসমূহ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভূক্তিৰ সমৰ্থনত আবেদনকাৰীয়ে আবেদনপত্ৰৰ 'C' পৃষ্ঠাত উল্লেখ কৰিবলগীয়া তথ্যৰূপে ব্যৱহৃত হ'ব আৰু আবেদনপত্ৰৰ লগত এই নথিৰ প্ৰয়োজনীয় প্ৰতিলিপি সংলগ্ন কৰিব লাগিব।

আবেদনপত্ৰত উল্লেখ কৰা পৰিয়ালৰ প্ৰত্যেকজন সদস্যই ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভূক্তিৰ বাবে পৃথকে পৃথকে যোগ্যতা প্ৰতিপন্ন কৰিব লাগিব। সেয়েহে, প্ৰতিজন সদস্যই এজন ব্যক্তিৰ নাম প্ৰক্ষেপ কৰি তেওঁৰ লগত ব্যক্তিগত সম্বন্ধ থকাটো প্ৰতিপন্ন কৰিব লাগিব। একোটা পৰিয়ালৰ অধিকাংশ সদস্যই একেজন প্ৰক্ষেপিত ব্যক্তিৰ লগত সম্পৰ্কৰ যোগসূত্ৰ প্ৰতিপন্ন কৰাৰ সম্ভাৱনা অধিক হ'লেও প্ৰতিজন সদস্যই ব্যক্তিগতভাৱে যাৱতীয় তথ্য দাখিল কৰিব লাগিব।

পৰিয়াল এটাৰ মহিলা সদস্যসকলে, যিসকল বিবাহসূত্ৰে সেই পৰিয়ালভূক্ত হৈছে, নিজৰ পিতৃ-মাতৃ বা পূৰ্বপুৰুষৰ লগত সম্পৰ্কৰ যোগসূত্ৰ প্ৰতিপন্ন কৰাৰ তথ্য দাখিল কৰিব লাগিব। এইক্ষেত্ৰত শহুৰৰ পৰিয়ালৰ লগত তেওঁৰ সম্পৰ্ক প্ৰতিপন্ন কৰিব নোৱাৰে।

***প্ৰশ্ন 9 বা প্ৰশ্ন 10 বা প্ৰশ্ন 11ৰ যিকোনো এটাৰ উত্তৰ দিলেই পৰ্যাপ্ত হ'ব যদিও প্ৰশ্ন 9 বা প্ৰশ্ন 10 বা প্ৰশ্ন 11ৰ এটাতকৈ অধিক প্ৰশ্নৰ উত্তৰো দিব পাৰে।***

***1951 চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত যিসকলৰ নাম/তথ্য উল্লেখিত আছে তেওঁলোকৰ বাবে প্ৰশ্ন 9, 1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈকে প্ৰকাশিত ভোটাৰ তালিকাত যিসকলৰ নাম আছে তেওঁলোকৰ বাবে প্ৰশ্ন 10 আৰু পৃষ্ঠা 'C'ৰ তলত তালিকা-'A' ৰ নথি-পত্ৰত যিসকলৰ বিৱৰণ আছে তেওঁলোকৰ বাবে প্ৰশ্ন 11 প্ৰযোজ্য হ'ব।***

প্ৰশ্ন. **9** * *পৰিয়ালৰ সদস্য বা তেওঁৰ পিতৃ-মাতৃ/ পূৰ্বপুৰুষৰ সন্দৰ্ভত 1951চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত উল্লেখিত তথ্যৰ সবিশেষ*
প্ৰশ্ন. **9a** যাৰ লগত সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰা হৈছে, সেই ব্যক্তিৰ নাম
প্ৰশ্ন. **9b** [9b] 1951চনৰ এন.আৰ.চি. লিগেচি ডাটা ক'ড
প্ৰশ্ন. **9c** ব্যক্তিজনৰ লগত থকা সম্পৰ্ক
প্ৰশ্ন. **9d** [9d] সম্পৰ্কৰ প্ৰমাণ স্বৰূপে দাখিল কৰা 'B' তালিকা ভুক্ত স্ব-স্বাক্ষৰিত প্ৰামাণ্য নথিৰ ক্ৰমিক নং

| | | |
|---|---|---|
| 9a | ব্যক্তিজনৰ নাম | |
| 9b | | |
| 9c | সম্পৰ্কৰ বিষয়ে আখৰেৰে লিখক | প্ৰশ্ন. 2a ৰ ক'ড ব্যৱহাৰ কৰক |
| 9d | | |

**প্ৰশ্ন 9a, প্ৰশ্ন 10a আৰু প্ৰশ্ন 11a - যাৰ সৈতে সম্পৰ্ক দাবী কৰা হৈছে সেই ব্যক্তিৰ নাম**

**প্ৰশ্ন 9a** ৰ উত্তৰত 1951 চনৰ এন আৰ চিত নাম থকা ব্যক্তিজনৰ যেনে, আবেদনকাৰীৰ নিজৰ নাইবা আবেদনকাৰীৰ পিতৃ-মাতৃৰ নাইবা পূৰ্বপুৰুষৰ নাম লিখিব নাইবা

**প্ৰশ্ন 10a** ৰ উত্তৰত 1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈকে প্ৰকাশিত ভোটাৰ তালিকাত নাম অন্তৰ্ভূক্ত থকা ব্যক্তিজনৰ যেনে, আবেদনকাৰীৰ নিজৰ নাইবা আবেদনকাৰীৰ পিতৃ-মাতৃৰ নাইবা পূৰ্বপুৰুষৰ নাম লিখিব নাইবা

**প্ৰশ্ন 11a** ৰ উত্তৰত আবেদনপত্ৰৰ 'C' পৃষ্ঠাৰ তলৰ পিনে থকা 'A'-তালিকাভূক্ত (ব্যাখ্যামূলক নথি) নথিসমূহৰ ক্ৰমিক নম্বৰ 3 ৰ পৰা 14 লৈকে উল্লেখিত নথিত নাম থকা ব্যক্তিজনৰ যেনে, আবেদনকাৰীৰ নিজৰ নাইবা আবেদনকাৰীৰ পিতৃ-মাতৃৰ নাইবা পূৰ্বপুৰুষৰ নাম লিখিব।

**প্ৰশ্ন 9b 1951 চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ লিগেচি ডাটা ক'ড আৰু প্ৰশ্ন 10b 1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈকে প্ৰকাশিত ভোটাৰ তালিকাৰ লিগেচি ডাটা ক'ড**

**প্ৰশ্ন 9b-** 1951 চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভূক্ত থকা ব্যক্তিৰ লগত সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰা ব্যক্তিসকলৰ বাবেহে প্ৰযোজ্য। প্ৰশ্ন 9a ৰ স্তম্ভত উল্লেখিত ব্যক্তিজনৰ বিপৰীতে পোৱা এঘাৰটা সংখ্যাৰ লিগেচি ডাটা ক'ডটো প্ৰশ্ন 9bৰ স্তম্ভৰ নিৰ্দিষ্ট স্থানত xxx-xxxx-xxxx ৰূপত ভৰাব লাগিব।

**প্ৰশ্ন 10b-** 1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈকে প্ৰকাশিত ভোটাৰ তালিকাত নাম অন্তৰ্ভূক্ত থকা ব্যক্তিৰ লগত সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰা ব্যক্তিসকলৰ বাবেহে প্ৰযোজ্য। প্ৰশ্ন 10a ৰ স্তম্ভত উল্লেখিত ব্যক্তিজনৰ বিপৰীতে পোৱা এঘাৰটা সংখ্যাৰ লিগেচি ডাটা ক'ডটো প্ৰশ্ন 10b স্তম্ভৰ নিৰ্দিষ্ট স্থানত xxx-xxxx-xxxx ৰূপত ভৰাব লাগিব।

লিগেচি ডাটা ক'ডসমূহ 1951 চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আৰু 1971 চনৰ 24 মাৰ্চ (মাজনিশা)লৈকে প্ৰকাশিত ভোটাৰ তালিকাত উল্লেখ থকা প্ৰতিটো নামৰ বিপৰীতে এন আৰ চি সেৱা কেন্দ্ৰ (এন এছ কে) সমূহত নাইবা এন আৰ চি, অসমৰ ৱেবচাইট (www.nrcassam.nic.in)ৰ জৰিয়তে প্ৰদান কৰা হয়। এন আৰ চি সেৱা কেন্দ্ৰসমূহৰ পৰা নাইবা অনলাইনযোগে ডাউনলোড কৰা লিগেচি ডাটা শ্লিপসমূহ আবেদনপত্ৰৰ লগত সংলগ্ন কৰি দিব লাগিব।




**প্ৰশ্ন 11b-** A-তালিকাভূক্ত উপযুক্ত নথিৰ ক্ৰমিক নম্বৰ (ক্ৰমিক নং 3 ৰ পৰা 16লৈ) - A-তালিকাভূক্ত (ক্ৰমিক নম্বৰ 3 ৰ পৰা 16লৈ) নথিবোৰৰ ভিতৰত যি নথিত প্ৰশ্ন 11a ত উল্লেখিত ব্যক্তিজনৰ নাম আছে, উক্ত নথিৰ ক্ৰমিক নম্বৰ নিৰ্দিষ্ট স্থানত লিখিব লাগিব। অনুগ্ৰহ কৰি মনত ৰাখিব যে, ক্ৰমিক নম্বৰ 15 আৰু 16 ত উল্লেখ কৰা নথিবোৰ তেতিয়াহে গ্ৰহণযোগ্য হ'ব যেতিয়া উক্ত নথিবোৰৰ লগত ক্ৰমিক নম্বৰ 1 ৰ পৰা 14 লৈ উল্লেখিত নথিবোৰৰ যিকোনো এবিধ নথি সংযুক্ত হ'ব। উল্লেখযোগ্য যে, আবেদনপত্ৰৰ লগত এই নথিবোৰৰ স্ব-প্ৰত্যায়িত প্ৰতিলিপিবোৰহে গাঁঠি দিব লাগিব আৰু মূল নথি-পত্ৰবোৰ ক্ষেত্ৰভিত্তিক পৰীক্ষণৰ সময়ত কৰ্তৃপক্ষক দেখুৱাব লাগিব।




**প্ৰশ্ন 9c, প্ৰশ্ন 10c আৰু প্ৰশ্ন 11c ব্যক্তিজনৰ লগত সম্পৰ্ক** - আবেদনকাৰীয়ে প্ৰশ্ন 9a বা প্ৰশ্ন 10a বা প্ৰশ্ন 11a ত উল্লেখ কৰা ব্যক্তিজনৰ অৰ্থাৎ যাৰ লগত সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰা হৈছে সেই ব্যক্তিজনৰ লগত তেখেতৰ সম্পৰ্কৰ বিষয়ে উল্লেখ কৰিব। সদস্যসকলে সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰা ব্যক্তিজনৰ লগত থকা সম্পৰ্ক সূচাবলৈ A পৃষ্ঠাৰ তলত থকা প্ৰশ্ন 2a[2a] ত উল্লেখিত পৰিয়ালৰ মুৰব্বীজনৰ লগত সদস্যসকলৰ সম্পৰ্ক সূচোৱা ক'ডসমূহকে ব্যৱহাৰ কৰিব।

উদাহৰণস্বৰূপে, প্ৰশ্ন 9a বা প্ৰশ্ন 10a বা প্ৰশ্ন 11a ত নাম উল্লেখ কৰা ব্যক্তিজন যদি সদস্য ক্ৰমিক নম্বৰ '2' ত উল্লেখ কৰা সদস্যজনৰ পিতৃ হয়, তেনেহ'লে সদস্য ক্ৰমিক নম্বৰ '2' ৰ সদস্যজনে সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰা ব্যক্তিজনৰ লগত তেওঁৰ সম্পৰ্কৰ উত্তৰ হিচাবে পৃষ্ঠা 'A' ৰ তলত থকা প্ৰশ্ন 2a[2a] তালিকাৰ পৰা বাছনি কৰি আখৰেৰে পিতৃ আৰু সংখ্যাৰে '5' লিখিব লাগিব।

প্ৰশ্ন 9a বা প্ৰশ্ন 10a বা প্ৰশ্ন 11a ত নাম উল্লেখ কৰা ব্যক্তিজন (যাৰ লগত সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰা হৈছে) যদি সদস্য ক্ৰমিক নম্বৰ '2' ৰ ককাক হয়, তেনেহ'লে সদস্য ক্ৰমিক নম্বৰ '2' ৰ সদস্যজনে প্ৰশ্ন 9c বা প্ৰশ্ন 10c বা প্ৰশ্ন 11c ৰ উত্তৰত আখৰেৰে ককা বুলি লিখিব আৰু ক'ডেৰে '6' বুলি লিখিব।

ককা/আইতাৰ লগত সম্পৰ্কৰ যোগসূত্ৰ থকা বুলি দাবী কৰিলে দুবিধ নথি দাখিল কৰিব লাগিব। উদাৰহণস্বৰূপে, যদি 'X' নামৰ আবেদনকাৰীয়ে ককাক 'Z' ৰ লগত সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰে, তেন্তে 'X' আবেদনকাৰীয়ে প্ৰথমবিধ নথিৰে তেখেতৰ পিতৃ 'Y' ৰ লগত সম্পৰ্কৰ যোগসূত্ৰ প্ৰমাণ কৰিব লাগিব। দ্বিতীয়বিধ নথিৰ জৰিয়তে প্ৰমাণিত হ'ব লাগিব যে, 'Z', 'Y' ৰ পিতৃ আৰু সেয়েহে 'X' ৰ ককাক।

যদি প্ৰশ্ন 9a বা প্ৰশ্ন 10a বা প্ৰশ্ন 11a ৰ উত্তৰৰ বিপৰীতে উল্লেখিত ব্যক্তিজন (যাৰ লগত সম্পৰ্কৰযোগসূত্ৰ দাবী কৰা হৈছে) পৰিয়ালৰ কোনো এজন সদস্য/সদস্যা 'নিজে'ই হয়, তেন্তে সেই সদস্য/সদস্যাই 'ব্যক্তিজনৰ লগত থকা সম্পৰ্ক' শীৰ্ষক প্ৰশ্নৰ উত্তৰত আখৰেৰে 'স্বয়ং' আৰু ক'ডেৰে '1' লিখিব।

**প্ৰশ্ন 9d বা প্ৰশ্ন 10d বা প্ৰশ্ন 11d- সম্পৰ্কৰ প্ৰমাণ সাপেক্ষ B তালিকাভূক্ত নথিৰ ক্ৰমিক নম্বৰ -**

প্ৰশ্ন 9c বা প্ৰশ্ন 10c বা প্ৰশ্ন 11c ত ঘোষিত সম্পৰ্ক প্ৰমাণৰ বাবে দাখিল কৰা নথিসমূহৰ সবিশেষ ইয়াত উল্লেখ কৰিব লাগিব। সম্পৰ্কৰ প্ৰমাণ সাপেক্ষ অনুমোদিত নথিৰ ব্যাখ্যামূলক তালিকা এখন আবেদনপত্ৰৰ C পৃষ্ঠাৰ তলত তালিকা-B হিচাবে দিয়া হৈছে য'ৰ পৰা যিকোনো এবিধ নথি নিৰ্বাচন কৰিব পাৰিব।

'B'-তালিকাখন কেৱল সমৰ্থনমূলক। পিতৃ-মাতৃ বা পূৰ্বপুৰুষৰ লগত যোগসূত্ৰ স্থাপন কৰিবলৈ (1) পৰিয়ালৰ সদস্যজন আৰু (2) তালিকা-'A' ৰ নথিবোৰৰ যিকোনো নথিত নাম থকা ব্যক্তিজনৰ (যাৰ লগত সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰা হৈছে) মাজৰ সম্পৰ্ক স্পষ্টকৈ প্ৰকাশ পোৱা যিকোনো বিধিসন্মত নথি দাখিল কৰিব পাৰিব। নথি প্ৰদানকাৰী কৰ্তৃপক্ষৰ লগত থকা মূল নথিৰ সৈতে এনেধৰণৰ নথিবোৰ ৰিজাই চাই পৰীক্ষা কৰিব পৰা হ'ব লাগিব। এনেধৰণৰ নথি যিকোনো তাৰিখত প্ৰদান কৰা হ'ব পাৰে আৰু প্ৰদান কৰা এনে তাৰিখৰ 1971 চনৰ 24 মাৰ্চ (মাজনিশা)ৰ লগত কোনো প্ৰাসঙ্গিকতা নাই।

বিবাহিত মহিলাৰ ক্ষেত্ৰত প্ৰশ্ন 9a বা প্ৰশ্ন 10a বা প্ৰশ্ন 11a ৰ উত্তৰত নাম উল্লেখ কৰা ব্যক্তিৰ লগত সম্পৰ্ক থকাটো অন্যান্য নথিৰ সহায়ত সাব্যস্ত হ'লে চক্ৰ বিষয়া/গাওঁ পঞ্চায়তৰ সচিবে প্ৰদান কৰা প্ৰমাণপত্ৰ দাখিল কৰাটো বাধ্যতামূলক নহয়। উল্লেখযোগ্য যে, আবেদনপত্ৰৰ লগত নথি-পত্ৰৰ ফটোকপিহে সংলগ্ন কৰিব লাগিব। মূল নথিসমূহ ক্ষেত্ৰভিত্তিক পৰীক্ষণৰ সময়ত কৰ্তৃপক্ষক দেখুৱাব লাগিব। দাখিল কৰা নথিসমূহ স্ব-প্ৰত্যায়িত হ'ব লাগিব।

## পৃষ্ঠা D

**প্ৰশ্ন 12a আৰু প্ৰশ্ন 12b** 1971 চনৰ 24 মাৰ্চ (মাজনিশা)পৰ্যন্ত অসমৰ বাহিৰে আন যিকোনো স্থানত বসবাস কৰা লোকসকলৰ ক্ষেত্ৰত প্ৰযোজ্য। যিসকল লোক অতীজৰে পৰা অসমৰ বাসিন্দা, কিন্তু 1971 চনৰ 24 মাৰ্চ (মাজনিশা) পৰ্যন্ত অসমৰ বাহিৰত বসবাস কৰিছে - তেওঁলোকে, তেওঁলোকৰ সন্তানে আৰু বংশধৰসকলে ভাৰতীয় নাগৰিক হোৱা সাপেক্ষে ইয়াত তেওঁলোকৰ তথ্য-পাতি দাখিল কৰিব পাৰিব।




### আনুগত্যৰ শপত

পৰিয়ালৰ সকলো সদস্যৰ হৈ পৰিয়ালৰ মূৰব্বীজনে আবেদনপত্ৰৰ পৃষ্ঠা-D ৰ তলৰ ফালে থকা নিৰ্দিষ্ট স্থানত আবেদনপত্ৰত উল্লেখ কৰা সকলো তথ্য তেওঁৰ জ্ঞান আৰু বিশ্বাস মতে সত্য বুলি ঘোষণা কৰি আনুগত্যৰ শপতনামাত স্বাক্ষৰ কৰিব লাগিব। স্বাক্ষৰৰ বাবে থকা নিৰ্দিষ্ট বাকচত আবেদনকাৰীয়ে অৰ্থাৎ পৰিয়ালৰ মূৰব্বীজনে স্বাক্ষৰ কৰিব লাগিব। টিপ চহীৰ প্ৰয়োজন হ'লে পুৰুষৰ ক্ষেত্ৰত বাওঁহাতৰ বুঢ়া আঙুলি আৰু মহিলাৰ ক্ষেত্ৰত সোঁ হাতৰ বুঢ়া আঙুলিৰ ছাপ দিব লাগিব।




**আবেদনপত্ৰত আবেদনকাৰীৰ ক্ৰমিক নম্বৰ** - সাধাৰণতে পৰিয়ালৰ মূৰব্বীজনে আনুগত্যৰ শপতনামাত স্বাক্ষৰ কৰিব আৰু তেনেক্ষেত্ৰত আবেদনপত্ৰখনৰ 'D' পৃষ্ঠাৰ "আবেদনপত্ৰ পূৰণৰ বাবে নিৰ্দেশনা" শিৰোণামৰ তলত থকা বাকচৰ "আবেদনপত্ৰত উল্লেখ কৰা মতে আবেদনকাৰীৰ ক্ৰমিক নম্বৰ" স্তম্ভত '1' লিখিব। মাত্ৰ অপৰিহাৰ্য্য পৰিস্থিতিতহে পৰিয়ালৰ মূৰব্বীজনৰ বাহিৰে আন এজন সদস্যই পৰিয়ালৰ হৈ আবেদনপত্ৰ দাখিল কৰিব পাৰিব আৰু তেনেক্ষেত্ৰত আনুগত্যৰ শপতনামাত এনে সদস্যই স্বাক্ষৰ কৰিব আৰু বাকচৰ নিৰ্দিষ্ট স্থানত উক্ত সদস্যজনৰ সদস্য ক্ৰমিক নম্বৰটো লিখিব।

### অতিৰিক্ত আবেদনপত্ৰত পৰিয়ালৰ সদস্যৰ তথ্য ভৰোৱাৰ কাম অব্যাহত থাকিলে 'C' লিখিব

পৃষ্ঠা Aত ইতিমধ্যে উল্লেখ কৰা মতে যদি পৰিয়ালত 6 (ছয়) গৰাকীতকৈ অধিক সদস্য আছে, তেন্তে, এনে পৰিয়ালৰ বাবে অতিৰিক্ত আবেদনপত্ৰ ব্যৱহাৰ কৰিব লাগিব। এনে ক্ষেত্ৰত অতিৰিক্ত আবেদনপত্ৰ ব্যৱহাৰ কৰা সাপেক্ষে 'D' পৃষ্ঠাৰ বাকচৰ নিৰ্দিষ্ট স্থানত 'C' বুলি লিখিব।

### মুঠ আবেদনপত্ৰৰ সংখ্যা

এই স্থানত এটা পৰিয়ালে ব্যৱহাৰ কৰা আৰু জমা দিয়া মুঠ আবেদনপত্ৰৰ সংখ্যা উল্লেখ কৰিব লাগিব। উদাহৰণস্বৰূপে, 10 (দহ) গৰাকী সদস্য থকা পৰিয়ালৰ




বাবে 2 (দুই)খন আবেদনপত্ৰৰ প্ৰয়োজন হ'ব। এই ক্ষেত্ৰত নিৰ্দিষ্ট স্থানত 2 সংখ্যাটো উল্লেখ কৰিব লাগিব। মুঠ আবেদনপত্ৰৰ সংখ্যা মূল আবেদনপত্ৰ আৰু সকলো অতিৰিক্ত আবেদনপত্ৰত উল্লেখ কৰিব লাগিব।

**"(একমাত্ৰ কাৰ্যালয়ৰ ব্যৱহাৰৰ বাবে)" হিচাবে নিৰ্দেশিত বাকচৰ ভিতৰৰ তথ্য এন আৰ চি কৰ্তৃপক্ষইহে পূৰ কৰিব। আবেদনকাৰীয়ে পূৰাব নালাগে।**

**আবেদনকাৰীসকলে সংলগ্ন কৰিবলগীয়া নথি-পত্ৰসমূহ আবেদনপত্ৰৰ লগত পৰিষ্কাৰ টেগেৰে সযতনে গাঁঠি দিয়াৰ বাবে আবেদনপত্ৰৰ একেবাৰে ওপৰৰ বাওঁকোণত মটীয়া বৰণেৰে চিহ্নিত স্থান ব্যৱহাৰ কৰিব। সংলগ্ন কৰিবলগীয়া নথি-পত্ৰবোৰৰ প্ৰত্যেকবিধ নথিৰ পৃষ্ঠাসমূহ পৃথকে পৃথকে 'টেগেৰে' একগোট কৰি সংলগ্ন কৰাটো নিশ্চিত কৰিব।**

**আবেদনপত্ৰ পূৰণ কৰাৰ বাবে অধিক সহায়ৰ প্ৰয়োজন হ'লে আপোনাৰ মনোনীত এন আৰ চি সেৱা কেন্দ্ৰ (এন এছ কে)লৈ যাব নাইবা আমাৰ বিনামূলীয়া হেল্পলাইন 15107 নম্বৰলৈ ফোন কৰিব।**

## আবেদনপত্ৰ দাখিল কৰা

### আবেদনপত্ৰ কেতিয়া দাখিল কৰিব ?

- সম্পূৰ্ণকৈ পূৰণ কৰা এন আৰ চি আবেদনপত্ৰ দাখিল কৰাৰ প্ৰক্ৰিয়া 2015 চনৰ 31 জুলাইলৈ চলিব। ঘৰে ঘৰে গৈ বিতৰণ কৰা আবেদনপত্ৰৰ ক্ষেত্ৰত আবেদনপত্ৰতেই দাখিল কৰাৰ পূৰ্ব নিৰ্দ্ধাৰিত তাৰিখ লিখা থাকিব। এন এছ কে সমূহত অত্যধিক জনসমাবেশ হোৱাটো ৰোধ কৰিবলৈ আৰু শেষ মূহুৰ্ত্তত দাখিল কৰিবলৈ অহা আবেদনকাৰীৰ অতিৰিক্ত ভীৰৰ পৰা হাত সাৰিবলৈ এই ব্যৱস্থা কৰা হৈছে। অপৰিহাৰ্য্য ক্ষেত্ৰত 2015 চনৰ 31 জুলাই তাৰিখৰ ভিতৰত যিকোনো তাৰিখতেই আবেদনপত্ৰ দাখিল কৰিব পাৰিব।

### আবেদনপত্ৰ ক'ত দাখিল কৰিব ?

- আপোনাৰ বৰ্তমানৰ ঠিকনা সামৰি লৈ স্থাপিত মনোনীত এন এছ কেত আবেদনপত্ৰ দাখিল কৰিব লাগিব। প্ৰতিটো এন এছ কেত ইয়াৰ অধীনৰ গাওঁ/ৱাৰ্ডসমূহৰ নাম ফ্লেক্স বেনাৰত আঁৰি দিয়া থাকিব। মনোনীত এন এছ কে সমূহত কেৱল সেই এন এছ কেৰ অধীনত থকা গাওঁ/চহৰৰ পৰা পোৱা আবেদনপত্ৰহে গ্ৰহণ কৰা হ'ব। সেয়েহে, নিজৰ নিজৰ এলেকাৰ মনোনীত এন এছ কে সমূহৰ বিষয়ে আগতীয়াকৈ জানি লোৱাৰ বাবে জনসাধাৰণৰ প্ৰতি অনুৰোধ জনোৱা হ'ল।
- আপোনাৰ মনোনীত এন আৰ চি সেৱা কেন্দ্ৰ (এন এছ কে)ৰ বিষয়ে জানিবলৈ চক্ৰ বিষয়াৰ কাৰ্যালয়, উপায়ুক্তৰ কাৰ্যালয়ত যোগাযোগ কৰিব পাৰে বা এন আৰ চি, অসমৰ ৱেবচাইট (www.nrcassam.nic.in) চাব পাৰে বা আমাৰ বিনামূলীয়া হেল্পলাইন নম্বৰ 15107 লৈ ফোন কৰিব পাৰে।

### কেৱল মনোনীত 'এন এছ কে'ত আবেদনপত্ৰ কিয় দাখিল কৰিব লাগে ?

- এন এছ কেৰ বিষয়াসকলৰ দ্বাৰা আবেদনপত্ৰসমূহৰ পৰীক্ষণ কৰা হ'ব। মনোনীত এন এছ কেৰ বিষয়াসকলে কেৱল সংশ্লিষ্ট এন এছ কেৰ অধীনস্থ এলেকাৰ পৰা পোৱা আবেদনৰ বিপৰীতে ক্ষেত্ৰ পৰীক্ষণৰ কাম সম্পন্ন কৰিবলৈ যাব। আবেদনপত্ৰত নাম থকা পৰিয়ালৰ সদস্যসকল এনে ক্ষেত্ৰ পৰিদৰ্শনৰ সময়ত নিজৰ বৰ্তমানৰ ঠিকনাত উপস্থিত থকাটো আৱশ্যক। সেইবাবে আবেদনকাৰীৰ বৰ্তমান ঠিকনাৰ এলেকা সামৰি স্থাপিত কেৱল মনোনীত এন এছ কেতহে আবেদনপত্ৰ জমা কৰাটো অত্যন্ত জৰুৰী। আন স্থানত আবেদনপত্ৰ জমা কৰিলে আবেদনপত্ৰৰ পৰীক্ষণ/গ্ৰাহ্যতা প্ৰতিপন্ন কৰাৰ প্ৰক্ৰিয়া বিঘ্নিত হ'ব। ক্ষেত্ৰ পৰীক্ষণ প্ৰক্ৰিয়া সুকলমে কৰাৰ বাবে কেৱল মনোনীত এন এছ কেতহে আবেদনপত্ৰ জমা কৰাটো নিতান্ত প্ৰয়োজন।

### আবেদনপত্ৰ দাখিল কৰাৰ প্ৰক্ৰিয়াটো কেনেধৰণৰ ?

- পৰিয়ালৰ যিকোনো সদস্যই আবেদনপত্ৰ দাখিল কৰিব পাৰিব। পৰিয়ালৰ যিকোনো এজন সদস্যৰ দ্বাৰা আবেদনপত্ৰ দাখিল কৰাটো বাধ্যতামূলক। পৰিয়ালৰ সদস্যৰ বাহিৰে অন্য কোনো ব্যক্তিয়ে আবেদনপত্ৰ দাখিল কৰিব নোৱাৰিব।
- কোনো অপৰিহাৰ্য্য কাৰণত যদি পৰিয়ালৰ বাহিৰৰ কোনো ব্যক্তিৰ দ্বাৰা আবেদনপত্ৰ দাখিল কৰিবলগীয়া হয়, তেনেহ'লে এন এছ কেত সেই আবেদনপত্ৰ গ্ৰহণ কৰা হ'ব যদিও ৰেকৰ্ড আৰু পৰীক্ষণৰ বাবে সেই ব্যক্তিজনৰ ফটো এখন তুলি ৰখা হ'ব।
- ৰাইজৰ দ্বাৰা আবেদনপত্ৰ দাখিল কৰাৰ সময়ত এল আৰ চি আৰ/স্থানীয় বিষয়া (LRCR/Local Officer)ৰ দ্বাৰা আবেদনপত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু গ্ৰহণযোগ্যতাৰ সন্দৰ্ভত নিশ্চিত হ'লে প্ৰাপ্তি স্বীকাৰ কৰা হ'ব।
- সকলো প্ৰয়োজনীয় নথি-পত্ৰ সংলগ্ন কৰা আৰু সঠিকভাৱে পূৰণ কৰা আবেদনপত্ৰ গ্ৰহণ কৰাৰ পিছত এন এছ কে অপাৰেটৰে আবেদনপত্ৰৰ গ্ৰহণ নম্বৰ (ARN) আৰু বাৰ ক'ড সংযুক্ত আবেদনপত্ৰৰ স্কেন কৰা প্ৰতিলিপি এটাৰ লগত দাখিল কৰা নথি-পত্ৰৰ সংক্ষিপ্ত তালিকা এখন আবেদনপত্ৰৰ প্ৰাপ্তি স্বীকাৰ ৰচিদ হিচাবে আবেদনকাৰীক দিব। প্ৰাপ্তি স্বীকাৰৰ এই ৰচিদখন ভৱিষ্যত ৰেকৰ্ডৰ বাবে সযতনে ৰাখিব লাগিব। আবেদনপত্ৰ গ্ৰহণ নম্বৰ (ARN) পৰৱৰ্তী সময়ত খচৰা আৰু চূড়ান্ত নাগৰিকপঞ্জী চোৱাৰ আৰু অন্যান্য প্ৰসঙ্গত ব্যৱহৃত হ'ব।

**আবেদনপত্ৰ প্ৰাপ্তি, পূৰণ কৰা আৰু জমা দিয়াৰ প্ৰক্ৰিয়া সম্পৰ্কীয় প্ৰচাৰপত্ৰিকা বিষয়ত অধিক জানিবলৈ আপোনাৰ বাবে মনোনীত এন আৰ চি সেৱা কেন্দ্ৰ (এন এছ কে)ত যোগাযোগ কৰক বা আমাৰ বিনামূলীয়া হেল্পলাইন নম্বৰ 15107 ত ফোন কৰক**



(জনহিতাৰ্থে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী, অসমৰ ৰাজ্যিক সমন্বয়কৰ দ্বাৰা প্ৰচাৰিত।)

Exclusive/NRC/2015